কৰ্ম মোৰ সংস্কৃতি

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay

নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ : অজাবি/০০৯/১৩/২১-২২
*Ref :*

তাৰিখ : ১২-০১-২০২২
*Date :*

## জাতীয় বিদ্যালয়ৰ মেধাবী শিক্ষাৰ্থীলৈ 'ৰাজ্যপালৰ উৎকৰ্ষ বঁটা'

**গুৱাহাটী, ১২ জানুৱাৰী ঃ** অসমৰ মাননীয় ৰাজ্যপাল অধ্যাপক জগদীশ মুখীৰ তৰফৰ পৰা অসম জাতীয় বিদ্যালয়কে ধৰি ৰাজ্যখনৰ জাতীয় বিদ্যালয়সমূহৰ মেধাবী শিক্ষাৰ্থীসকললৈ "ৰাজ্যপালৰ উৎকৰ্ষ বঁটা" (Governor's Award for Excellence to Meritorious students) প্ৰদানৰ বিষয়ে আজি ৰাজ্যপালৰ সচিবালয়ৰ পৰা প্ৰেৰণ কৰা এক পত্ৰযোগে জনোৱা হৈছে। অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষলৈ ৰাজ্যপালৰ সচিবালয়ৰ উপসচিবে ১১-০১ ২০২২ তাৰিখে প্ৰেৰণ কৰা উক্ত পত্ৰত উল্লেখ কৰা হৈছে যে অসম জাতীয় বিদ্যালয়কে ধৰি ৰাজ্যখনৰ জাতীয় বিদ্যালয়সমূহৰ দশম শ্ৰেণীৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ শ্ৰেষ্ঠ ১০ গৰাকী শিক্ষাৰ্থীক, দ্বাদশ শ্ৰেণীৰ কলা আৰু বিজ্ঞান শাখাৰ শ্ৰেষ্ঠ তিনিগৰাকী শিক্ষাৰ্থীক প্ৰতি বছৰে এই বঁটা প্ৰদান কৰা হ'ব। এই বঁটাত থাকিব এখন প্ৰমাণ পত্ৰ, এটা পদক আৰু নগদ ধন/গ্ৰন্থ।

ইতিমধ্যে এই উৎকৰ্ষ বঁটাৰ বাবে ৰাজ্যপালৰ ফালৰ পৰা অসম জাতীয় বিদ্যালয়লৈ ১০,০০,০০০/- (দহ লাখ) টকাৰ এখন চেক প্ৰদান কৰা হৈছে। এই ধনখিনি বেংকত ফিক্সড্ ডিপ'জিট হিচাপে ৰাখি তাৰ পৰা পোৱা বাৰ্ষিক সুতৰ পৰা নিয়মীয়াকৈ বঁটা প্ৰদান কৰা হ'ব। অসম জাতীয় বিদ্যালয়ৰ অধ্যক্ষ শ্ৰী ঘনশ্যাম মেধিয়ে অসমৰ মাননীয় ৰাজ্যপাল অধ্যাপক জগদীশ মুখী ডাঙৰীয়াৰ এই মহানুভৱতাৰ বাবে সমূহ জাতীয় বিদ্যালয় পৰিয়ালৰ হকে তেখেতলৈ গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছে। লগতে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদৰ কাৰ্য্যকৰী সভাপতি শ্ৰী দিলীপ কুমাৰ দত্ত চৌধুৰী আৰু সচিব ডাᵒ নাৰায়ণ শৰ্মাইও অসমৰ মাননীয় ৰাজ্যপালৰ এই বঁটা প্ৰদানৰ সিদ্ধান্তৰ বাবে তেখেতৰ প্ৰতি গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিছে। এই বঁটাই অসমৰ জাতীয় বিদ্যালয়সমূহৰ লগত জড়িত লাখ লাখ শিক্ষাৰ্থী, শিক্ষক আৰু শিক্ষাৰ্থীৰ অভিভাৱক তথা বিদ্যালয়সমূহৰ কৰ্মকৰ্তাসকলক গভীৰভাৱে অনুপ্ৰাণিত কৰিব বুলি মত প্ৰকাশ কৰিছে। তেওঁলোকে লগতে উল্লেখ কৰিছে যে অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ (এজবেক)ৰ অধীনস্থ অসমৰ সকলো জাতীয় বিদ্যালয়ৰ দশম আৰু দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে এই বঁটা প্ৰযোজ্য হ'ব।

(ঘনশ্যাম মেধি)
অধ্যক্ষ
অসম জাতীয় বিদ্যালয়

(ডাᵒ নাৰায়ণ শৰ্মা)
সচিব
অসম জাতীয় বিদ্যালয় শিক্ষা সংসদ